# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 05-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড ৰোমুঅ'লডেজ মাৰ্কোছ জুনিয়ৰৰ মাজত আজি উচ্চস্তৰীয় প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।

২। অসামৰিক বিমান সেৱাৰ বজাৰত ভাৰত বিশ্বৰ পঞ্চম বৃহৎ দেশ হিচাপে পৰিগণিত হৈছে।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত কালি সন্ধিয়া প্ৰথমবাৰৰ বাবে BIMSTEC পৰম্পৰাগত সংগীত মহোৎসৱৰ আয়োজন কৰা হয়।

৪। প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ বাবে চলি থকা বিশেষ পঞ্জীয়ন অভিযান অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। ***আৰু***

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলা ২-২ ফলাফলেৰে সমাপ্ত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত ফিলিপিনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড ৰোমুঅ'লডেজ মাৰ্কোছ জুনিয়ৰৰ মাজত আজি নতুন দিল্লীত এখন উচ্চস্তৰীয় প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। ৫ দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতিগৰাকী কালি নতুন দিল্লীত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকী নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী লুইছ আৰানেটা মাৰ্কোছ আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায় প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো ভাৰতলৈ আহিছে। ফিলিপিনছৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰীমাৰ্কোছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ।

উভয় দেশৰ মাজত ১৯৪৯ চনৰ নৱেম্বৰত কূটনৈতিক সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়াৰে পৰা দেশ দুখনৰ মাজত ব্যৱসায়, বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, সামুদ্ৰিক সহযোগিতা, কৃষি, স্বাস্থ্যসেৱা আৰু ডিজিটেল প্ৰযুক্তি আদি বিভিন্ন ক্ষেত্ৰত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। এক্ট-ইষ্ট নীতি, ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি থকা দৃষ্টিভংগীৰ ক্ষেত্ৰত ফিলিপিনছৰ সৈতে ভাৰতৰ সম্পৰ্ক বিশেষভাৱে গুৰুত্বপূৰ্ণ। এই ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ক্ষেত্ৰত থকা সম্পৰ্কক অধিক শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে আজিৰ বৈঠকত উভয় দেশৰ মাজত থকা বিভিন্ন সম্পৰ্কৰ পৰ্যালোচনা কৰা হ'ব। ভাৰত আৰু ফিলিপিনছৰ মাজত থকা দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৩৫০ কোটি ইউ এছ্ ডলাৰ স্পৰ্শ কৰিছিল। ফিলিপিনছত তথ্য প্ৰযুক্তি, স্বাস্থ্য, বস্ত্ৰ, আন্তঃগাঁথনি, কৃষি আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত ভালেমান ভাৰতীয় কোম্পানীয়ে চকুত লগা ধৰণে কাম কৰি আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ কৰ্তব্য পথত কৰ্তব্য ভৱন মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন জনসভাকো সম্বোধন কৰিব। ছেন্ট্ৰেল ভিষ্টা প্ৰকল্পৰ প্ৰসাৰ হিচাপে এই ভৱন সাজি উলিওৱা হৈছে। প্ৰশাসনিক প্ৰক্ৰিয়াসমূহ সুশৃংখল কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি থকা সাধাৰণ কেন্দ্ৰীয় সচিবালয় ভৱন নিৰ্মাণ প্ৰকল্পৰ অংশ হিচাপে কৰ্তব্য ভৱন সাজি উলিওৱা হৈছে।

প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিৰ জৰিয়তে জনোৱা অনুসৰি ডেৰ লাখ বৰ্গমিটাৰজোৰা এই ভৱনটো শ্ৰীমোদীৰ চৰকাৰৰ আধুনিক, দক্ষ আৰু নাগৰিককেন্দ্ৰিক শাসন ব্যৱস্থাৰ প্ৰতি থকা দায়বদ্ধতাৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

ooooo

অসমাৰিক বিমান সেৱা বজাৰত ভাৰত বিশ্বৰ পঞ্চম বৃহৎ দেশ হিচাপে পৰিগণিত হৈছে। ভাৰতে ২৪ কোটি ১০ লাখ যাত্ৰী পৰিচালনা কৰিছে আৰু ২০২৪ চনত মুম্বাই আৰু দিল্লী বিমানবন্দৰ দুটা আটাইতকৈ ব্যস্ত বিমানবন্দৰ ৰূপে পৰিগণিত হৈছে। বিশ্ব বিমান পৰিবহন পৰিসংখ্যা ২০২৪ চনৰ সংস্কৰণত প্ৰকাশ পোৱা তথ্য অনুসৰি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ পৰিবহন সংস্থা- IATA-এ এই কথা প্ৰকাশ কৰিছে। IATA-ৰ মতে ভাৰতত বিগত বৰ্ষত ২১ কোটি ১০ লাখ বিমান যাত্ৰীলৈ বিমান সেৱা আগবঢ়োৱা হৈছে আৰু এই সেৱা ২০২৩ বৰ্ষৰ তুলনাত ১১ দশমিক ১ শতাংশ বৃদ্ধি পাইছে। জাপানে ১৮ দশমিক ৬ শতাংশ বাৰ্ষিক বৃদ্ধিৰ হাৰেৰে ২০ কোটি ৫০ লাখ যাত্ৰীলৈ বিমান সেৱা আগবঢ়াইছে। ৮৭ কোটি ৬০ লাখ যাত্ৰীৰে বিশ্বৰ অসামৰিক বিমান পৰিবহন সেৱাৰ বজাৰত আমেৰিকাই প্ৰথম স্থান অধিকাৰ কৰিছে। এই ক্ষেত্ৰত চীন, ব্ৰিটেইন আৰু স্পেপেইনে ক্ৰমে দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ স্থান লাভ কৰিছে। এই পৰিসংখ্যাত প্ৰতিখন দেশৰ পৰা যাত্ৰা কৰা বা অহা সকলো আন্তঃৰাষ্ট্ৰীয় যাত্ৰীৰ লগতে ঘৰুৱা যাত্ৰীসকলকো সামৰি লোৱা হৈছে।

বিশ্বৰ শীৰ্ষ ১০টা ব্যস্ত বিমানবন্দৰযুটিৰ ভিতৰত ২০২৪ চনত ৫৯ লাখ যাত্ৰী কঢ়িয়াই মুম্বাই-দিল্লী সপ্তম ব্যস্ত বিমানবন্দৰযুটি ৰূপে পৰিগণিত হৈছে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কালি সন্ধিয়া প্ৰথমবাৰৰ বাবে BIMSTEC পৰম্পৰাগত সংগীত মহোৎসৱৰ আয়োজন কৰা হয়। মহোৎসৱৰ উদ্বোধন কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে কয়, যে সংগীতে দেশসমূহৰ মাজত সমন্বয়ৰ সাঁকো হিচাপে কাম কৰাৰ উপৰি ৰাষ্ট্ৰসমূহক নিজা ঐতিহ্য আৰু পৰিচয় প্ৰদৰ্শনৰো সুযোগ প্ৰদান কৰে। তেওঁ কয়, যে সাংস্কৃতিক দক্ষতাৰ জৰিয়তে সন্মান লাভ আৰু সমাজত মৰ্যাদা নিশ্চিত কৰাটো সম্ভৱ। মন্ত্ৰীগৰাকীয়ে সংগীতক সমাজৰ আত্মা হিচাপে গন্য কৰা হৈ বুলি উল্লেখ কৰে। মহোৎসৱত কালি ভাৰত, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ডৰ শিল্পীসকলে গীত পৰিৱেশন কৰে। ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদে আয়োজন কৰা **সপ্ত সুৰ ঃ সাতখন ৰাষ্ট্ৰ, এটা ৰাগ** শীৰ্ষক এই মহোৎসৱত BIMSTECৰ সাতখন ৰাষ্ট্ৰৰ ভিন ভিন সংগীত পৰম্পৰা উদযাপন কৰা হয়।

মহোৎসৱৰ উদ্বোধনী কাৰ্যসূচীক BIMSTEC ৰাষ্ট্ৰগোষ্ঠীৰ সাংস্কৃতিক সহযোগিতাৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচনা কৰা হৈছে। বিগত এপ্ৰিলত থাইলেণ্ডত অনুষ্ঠিত BIMSTEC সন্মিলনত আঞ্চলিক সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰা ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হয়।

০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ বাবে চলি থকা বিশেষ পঞ্জীয়ন অভিযান অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰিছে। অংগনৱাড়ী আৰু আশাকৰ্মীসকলৰ নেতৃত্বত চলি থকা এই অভিযানৰ লক্ষ্য হৈছে সকলো যোগ্য গৰ্ভৱতী মহিলা তথা সন্তানক দুগ্ধপান কৰোৱা মাকৰ ওচৰ চপা তথা তেওঁলোকক এই যোজনাৰ অধীনত সময়মতে পঞ্জীয়ন নিশ্চিত কৰা। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এই যোজনাৰ অধীনত পুষ্টিকৰ খাদ্যৰ যোগান আৰু স্বাস্থ্যসন্মত আচৰণ উন্নত কৰাৰ বাবে এনে মহিলাসকলক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। এই যোজনাই কন্যা সন্তানৰ প্ৰতি ইতিবাচক মনোভাৱৰ প্ৰসাৰৰ ক্ষেত্ৰতো গুৰুত্ব দি আহিছে। মন্ত্ৰ্যালয়ে কয়, যে এই যোজনাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে ৪ কোটি ৫ লাখৰো অধিক হিতাধিকাৰীক কমেও এবাৰকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। এই পৰ্যন্ত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে বেংক অথবা ডাকঘৰত থকা হিতাধিকাৰীসকলৰ একাউণ্টত মুঠ ১৯ হাজাৰ ২৮ কোটি ধন প্ৰদান কৰা হৈছে।

০০০০০

পেহেলগাম আক্ৰমণৰ সৈতে জড়িত আক্ৰমণকাৰীৰ পৰিচয় পটভূমি সন্দৰ্ভত কোনোধৰণৰ প্ৰতিবেদন প্ৰকাশ কৰা নাই বুলি প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে জানিবলৈ দিছে। এই সম্পৰ্কে মন্ত্ৰ্যালয়ে বিবৃতি প্ৰকাশ কৰা বুলি সামাজিক মাধ্যমত চলি থকা চৰ্চা নুই কৰা হৈছে। মন্ত্ৰ্যালয়ে কয়, যে সশস্ত্ৰ বাহিনীৰ সৈতে জড়িত কোনো ধৰণৰ বিবৃতি প্ৰকাশ কৰা হোৱা নাই। মন্ত্ৰ্যালয়ে লগতে কয়, যে পেহেলগাম আক্ৰমণৰ সৈতে জড়িত সন্ত্ৰাসবাদী সন্দৰ্ভত সশস্ত্ৰ বাহিনীৰ জনসংযোগ কাৰ্যালয় নাইবা কোনো মনোনীত মুখপাত্ৰই একো মন্তব্য কৰা নাই। আক্ৰমণৰ ঘটনাৰ পাছত মুকলি উৎসৰ পৰা সংগ্ৰহ কৰা বিভিন্ন তথ্যৰ সংকলনৰ পৰাহে প্ৰশ্ন উত্থাপিত বিবৃতিটো প্ৰচাৰ কৰি থকা যেন লগা হৈছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

সংযুক্ত যুদ্ধ অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি নতুন দিল্লীত প্ৰথম বাৰ্ষিক ট্ৰাইডেণ্ট বক্তৃতা শৃংখলা অনুষ্ঠিত হ'ব। অনুষ্ঠানত চীফ অফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে **ভৱিষ্যতৰ যুদ্ধক্ষেত্ৰত আধিপত্য বিস্তাৰ কৰা** বিষয়ত উদ্বোধনী বক্তৃতা আগবঢ়াব।

এটা বিবৃত্তিত প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে জনাইছে যে এই অনুষ্ঠানত ভাৰতৰ প্ৰথমগৰাকী চি ডি এছৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি **জেনেৰেল বিপিন ৰাৱাট পেপাৰ** মুকলি কৰা হ'ব। বিবৃত্তিটোত লগতে কোৱা হৈছে যে এই অনুষ্ঠানত জ্যেষ্ঠ সামৰিক বিষয়াসকলে ভৱিষ্যতৰ যুদ্ধসজ্জাৰ ৰণনীতি আৰু তিনিওটা সেনাবাহিনীৰ জৰুৰী সংস্কাৰ আদি বিভিন্ন বিষয় সন্দৰ্ভত আলোকপাত কৰিব।

০০০০০

ভাৰতে এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ লণ্ডনৰ অভেলত অনুষ্ঠিত পঞ্চম তথা অন্তিমখন টেষ্টত কালি ঘৰুৱা দল ইংলেণ্ডৰ বিৰুদ্ধে জয়েৰে শৃংখলাটোত ২-২ ফলাফলেৰে সমতা স্থাপন কৰে। ভাৰতে বান্ধি দিয়া ৩৭৪ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে কালি পঞ্চম দিনা ৬টা উইকেটৰ বিনিময়ত ৩৩৯ ৰানৰ পৰা খেল আৰম্ভ কৰি ৩৬৭ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। কালি অন্তিম দিনা ভাৰতৰ হৈ মহম্মদ ছিৰাজে দুটা আৰু প্ৰসিদ্ধ কৃষ্ণাই এটা উইকেট দখল কৰি ভাৰতক ৬ ৰানৰ ব্যৱধানত বিজয়ৰ সোৱাদ দিয়ে। ৰোমাঞ্চকৰ

খেলখনত মহম্মদ ছিৰাজে প্ৰথম ইনিংছত ৪টা আৰু দ্বিতীয় ইনিংছত ৫টা উইকেট লাভ কৰে। এই উজ্জীৱিত প্ৰদৰ্শনৰ বাবে খেলুৱৈগৰাকীক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাটোত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে শুভমন গিল আৰু হেৰি ব্ৰুকক প্লেয়াৰ্ছ অৱ দা ছিৰিজৰ সন্মান প্ৰদান কৰা হয়।

০০০০০

১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কালি অনুষ্ঠিত গ্ৰুপ-এফৰ এখন খেলত ৰিয়েল কাশ্মীৰ ফুটবল ক্লাবে টিদ্দিম ৰ'ড এথলেটিক ইউনিয়ন ফুটবল ক্লাবক ২-১ গ'লত পৰাস্ত কৰে। ইম্ফলৰ খুমান লাম্পাক মেইন ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰিয়েল কাশ্মীৰৰ হৈ ২৪ মিনিটত মাৰাক টাৰেকেই প্ৰথমটো গ'ল দিয়ে যদিও তাৰ ২ মিনিটৰ পাছতে বিপক্ষৰ আফ্ৰিদি বুয়া মায়ুমে গ'ল দি সমতা স্থাপন কৰে। খেলখনৰ দ্বিতীয়াৰ্ধত ৩৪ মিনিটত ৰিয়েল কাশ্মীৰৰ হৈ খেলা মণিপুৰৰ এন ৰ'হেন সিঙে দলৰ বিজয়সূচক গ'লটো দিয়ে।

সম্প্ৰতি প্ৰতিযোগিতাৰ গ্ৰুপ-এফত ইণ্ডিয়ান নেভী ৩ পইণ্টেৰে শীৰ্ষস্থানত আছে। দুখন খেলৰ পৰা ৩ পইণ্ট অৰ্জন কৰি ৰিয়েল কাশ্মীৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে। ইপিনে টিদ্দিম ৰ'ড এথলেটিক ইউনিয়ন ফুটবল ক্লাব আৰু নৰ্থ ইষ্টাৰ্ন ৰি অৰ্গেনাইজিং কালচাৰেল এছ'চিয়েচন ফুটবল ক্লাব উভয়ে এক পইণ্টকৈ অৰ্জন কৰি তালিকাৰ তৃতীয় স্থানত আছে।

প্ৰতিযোগিতাত অহা বৃহস্পতিবাৰে গ্ৰুপ-এফৰ পৰৱৰ্তী খেলখনত নৰ্থ ইষ্টাৰ্ন ৰি অৰ্গেনাইজিং কালচাৰেল এছ'চিয়েচন ফুটবল ক্লাব ইণ্ডিয়ান নেভীৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত